জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮৪/২০২০

## মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বাৰ্তালাপ

## মেঘালয়ৰ মাজেৰে বৰাক উপত্যকালৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ সুচল পৰিবহন নিশ্চিতকৰণৰ সম্পৰ্কত আলোচনা

**দিছপুৰ, ১৭ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড ছাংমাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে সম্প্ৰতি লক্-ডাউনৰ পৰিপ্ৰেক্ষিতত অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহৰ বিষয়টো মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। মেঘালয়ৰ মাজেদি বৰাক উপত্যকালৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ সুচল সৰবৰাহ নিশ্চিতকৰণৰ সন্দৰ্ভত মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীক উপযুক্ত পদক্ষেপ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। আলোচনাৰ সময়ত মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত শীঘ্ৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে কৰ'না ভাইৰাছৰ পৰিপ্ৰেক্ষিতত দুয়োখন ৰাজ্যই গ্ৰহণ কৰা ব্যৱস্থাৰাজি সম্পৰ্কতো মত-বিনিময় কৰে। ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে অনাগত দিনত দুয়োখন ৰাজ্যই যৌথ সহযোগিতাৰে কাম কৰাৰ দিশতো মুখ্যমন্ত্ৰী দুগৰাকীয়ে আলাপ-আলোচনা কৰে।

**পুঃডেঃ /বিঃগঃ /প্ৰঃকুঃবঃ**
**১৭/৪/২০২০**